No. of Printed Pages—3

440 (ACS)

[16–HDGKACRM–M2]

MA 2nd Semester Exam., 2016

ASSAMESE

(Code : MAS 08)

অসমীয়া চুটিগল্প

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(ক) বেজবৰুৱাৰ কোনকেইটা গল্পত বঙলী সমাজৰ কথা প্ৰকাশ পাইছে আৰু তাত কি বক্তব্য প্ৰকাশ পাইছে ?

(খ) 'মুক্তি' গল্পটোত উল্লেখ থকা যুৰীয়া শব্দবোৰ উল্লেখ কৰক।

(গ) লক্ষ্মীধৰ শৰ্মাৰ গল্পপুথিখিনিৰ নাম লিখক।

(ঘ) লক্ষ্মীধৰ শৰ্মাই তেওঁৰ গল্পত মূল বক্তব্য প্ৰকাশ কৰা ধৰণটো কেনে ?

(ঙ) সৌৰভ কুমাৰ চলিহাৰ গল্পসমূহৰ আস্বাদ লাভ কৰিবলৈ পাঠকসকলে কিয় বৌদ্ধিক কচৰৎ কৰিবলগীয়া হয় ?

(চ) ভাৰতীয় সাহিত্যত চুটিগল্পৰ উদ্ভৱ কেনেদৰে হৈছিল ?

২। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১৫০ শব্দৰ ভিতৰত) : ৪×৩=১২

(ক) উত্তৰ-ৰামধেনু যুগৰ অসমীয়া চুটিগল্পৰ মূল সুৰবোৰ কি আছিল ? বুজাই লিখক।

(খ) হলিৰাম ডেকাৰ গল্পসমূহত দেখা পোৱা মূল বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(গ) 'সেন্দুৰ' গল্পটোৰ মণিকা চৰিত্ৰটোৰ বিষয়ে এটি টোকা লিখক।

(ঘ) 'বীণা-কুটিৰ' গল্পটোৰ কথনভঙ্গী সম্পৰ্কে এটি আলচ যুগুত কৰক।

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) 'মুক্তি' গল্পৰ সুকুমাৰ চৰিত্ৰটো বিশ্লেষণ কৰক।

(খ) 'মুক্তি' গল্পটোৰ মাজেদি গল্পকাৰ বেজবৰুৱাই সমসাময়িক শিক্ষাব্যৱস্থাটোৰ প্ৰতি পোষণ কৰা মত সম্পৰ্কে আলোচনা আগবঢ়াওক।

(গ) 'ভৱিষ্য' গল্পটো এটা সাৰ্থক চুটিগল্প হিচাপে প্ৰতিপন্ন কৰক।

(ঘ) হত্যা সম্পৰ্কে ৰবৰ ধাৰণা 'অক্টোপাচ' গল্পটোত কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰক।

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০০ শব্দৰ ভিতৰত) : ১০×৪=৪০

(ক) অসমীয়া চুটিগল্পৰ ইতিহাসত 'আৱাহন' যুগৰ গল্পৰ অৱদান কেনে সেই বিষয়ে এটি প্ৰবন্ধ লিখক।

(খ) ''সমাজ ব্যৱস্থাক ভাঙি নতুন এখন সমাজ গঢ়িবলৈ হ'লে ত্যাগ স্বীকাৰ কৰিবই লাগিব।'' 'পৰাজয়' গল্পটোৰ আধাৰত কথাষাৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰক।

(গ) 'সেন্দুৰ' গল্পটোত প্ৰকাশ পোৱা নাৰীৰ মনস্তত্ত্ব সম্পৰ্কে বহলাই আলোচনা কৰক।

(ঘ) ''নগৰীয়া জীৱনৰ ৰুক্ষতা আৰু পৰম্পৰাগত মূল্যবোধৰ অৱক্ষয়েই হ'ল 'বীণা-কুটিৰ' গল্পটোৰ মূল উপজীব্য।'' আলোচনা কৰক।

(ঙ) 'অক্টোপাচ' গল্পটোৰ কাহিনী, চৰিত্ৰ আৰু বিশেষত্বসমূহৰ বিষয়ে বহলাই লিখক।

★★★